জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা
নংঃ ৮/২০২০

# তৃতীয় খেলো ইণ্ডিয়া য়ুথ গেমছ-২০২০ৰ শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১০ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি কেন্দ্ৰীয় ক্ৰীড়া আৰু যুৱ কল্যাণ পৰিক্ৰমা দপ্তৰৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী কিৰেন ৰিজিজুৰ উপস্থিতিত সৰুসজাই ক্ৰীড়া প্ৰকল্পত তৃতীয় খেলো ইণ্ডিয়া য়ুথ গেমছ ২০২০ আনুষ্ঠানিক ভাৱে শুভ উদ্বোধন কৰে।

এই প্ৰতিযোগিতা শুভ উদ্বোধন কৰি প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সহযোগিতাৰ বাবে আজি গুৱাহাটীত ১৩ দিনীয়াকৈ এই ৰাষ্ট্ৰীয় খেল প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ সুযোগ অসমে লাভ কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী হিচাপে দায়িত্ব লোৱাৰ পিছৰে পৰা নৰেন্দ্ৰ মোদীয়ে দেশৰ যুৱ প্ৰজন্মক খেলৰ প্ৰতি ধাউতি বৃদ্ধি কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰি আহিছে। দেশত এতিয়া যুৱ প্ৰজন্মৰ খেলৰ প্ৰতি অনুৰাগ বৃদ্ধি পাইছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰেও খেলক প্ৰাধান্য দি ইতিমধ্যে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে গুৱাহাটীক ক্ৰীড়া ৰাজধানী হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে ৰাজ্যিক ক্ৰীড়া নীতি গ্ৰহণ কৰিছে। তদুপৰি ক্ৰীড়া নীতি অনুসৰি অলিম্পিক, এছিয়াডকে ধৰি আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলত গৌৰৱ কঢ়িয়াই অনা খেলুৱৈসকলক নগদ ধন প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰি তাক কাৰ্যকৰী ৰূপ দিছে। তেওঁ কয় যে শ্ৰীশ্ৰী অনিৰুদ্ধ দেৱৰ নামত এখন ক্ৰীড়া বিশ্ববিদ্যালয়, অৰ্জুন ভোগেশ্বৰ বৰুৱাৰ নামত ৰাজ্যিক ক্ৰীড়া বিদ্যালয়, আৰ্চাৰি, ফুটবল একাডেমী গঢ় দিয়াৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে ইতিমধ্যে পদক্ষেপ গ্ৰহণ কৰিছে যাতে অসমৰ উঠি অহা প্ৰজন্মক ক্ৰীড়াৰ প্ৰতি অধিক ধাউতি বৃদ্ধি কৰিব পৰা যায়।

মুখ্যমন্ত্ৰীয়ে কয় যে ইতিমধ্যে গুৱাহাটীৰ বুকুত বিভিন্ন ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় খেল প্ৰতিযোগিতা সুকলমে অনুষ্ঠিত হৈ গৈছে। গুৱাহাটীবাসী তথা অসমৰ ৰাইজ, সাংবাদিকৰ সহযোগিতাৰ বাবেই এই প্ৰতিযোগিতা সমূহ সফল ৰূপত অনুষ্ঠিত কৰাটো সম্ভৱ হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ জনতা খেলৰ পুজাৰী। কেন্দ্ৰীয় ক্ৰীড়া আৰু যুৱ কল্যাণ পৰিক্ৰমা দপ্তৰৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী কিৰেন ৰিজিজুক ধন্যবাদ জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অসমক ক্ৰীড়াৰ ক্ষেত্ৰত আগুৱাই নিয়াৰ বাবে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে সহযোগিতাৰে কাম কৰি আহিছে। সুধাকণ্ঠ ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ গানৰ উদ্ধৃতি দি মুখ্যমন্ত্ৰীয়ে কয় যে ক্ৰীড়াৰ জৰিয়তে শান্তি, সম্প্ৰীতি, ভাতৃত্ববোধক গঢ় দিব পৰা যায়। তেওঁ লগতে কয় যে ক্ৰীড়াৰ জৰিয়তে আমাৰ ছাত্ৰ-ছাত্ৰীসকলে ব্যক্তিত্ব, প্ৰতিযোগিতামুখী মানসিকতা, নিৰ্ভিকতা উজ্জীৱিত কৰি তুলিব লাগিব। অসমৰ জনসাধাৰণে 'অতিথি দেব ভৱ' মানসিকতাৰে আতিথ্য আগবঢ়াই বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই ১৩ দিনীয়া ক্ৰীড়া সমাৰোহৰ জৰিয়তে দেশৰ ভিন্ন প্ৰান্তৰ পৰা অহা খেলুৱৈ, খেল সংগঠক আৰু ক্ৰীড়াৰ লগত জড়িত সকলোৱে অসমৰ ৰাইজৰ পৰা মৰম, স্নেহ লাভ কৰিবলৈ সক্ষম হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে ২০১৪ চনৰ পৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গ্ৰহণ কৰা পদক্ষেপৰ বাবে আজি অসম তথা উত্তৰ পূৰ্বাঞ্চলত ক্ষিপ্ৰ উন্নয়ন সম্ভৱ হৈ উঠিছে। মুখ্যমন্ত্ৰীয়ে কয় যে ভাৰতবৰ্ষৰ বুকুত অসমক শক্তিশালী ভাৱে

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

গঢ় দিয়াৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰীয়ে লোৱা পদক্ষেপৰ বাবে অসমে আজি বিভিন্ন ক্ষেত্ৰত আগুৱাই যাবলৈ সক্ষম হৈছে।

মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণই আদৰণি ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত কেন্দ্ৰীয় ক্ৰীড়া আৰু যুৱ কল্যাণ পৰিক্ৰমা দপ্তৰৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী কিৰেন ৰিজিজুৱে কয় যে এই ক্ৰীড়া প্ৰতিযোগিতাই গুৱাহাটী মহানগৰীক দেশৰ ক্ৰীড়াৰ ৰাজধানী হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত বিশেষ অৰিহণা যোগাব। এই প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ বাবে মুখ্যমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰি কেন্দ্ৰীয় মন্ত্ৰী গৰাকীয়ে কয় যে গুৱাহাটীক দেশৰ ক্ৰীড়া ৰাজধানী হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়াব। তেওঁ কয় যে এই প্ৰতিযোগিতাৰ ইতিহাসত গুৱাহাটীৰ আয়োজন সৰ্ব বৃহৎ। খেলো ইণ্ডিয়াৰ জৰিয়তে লচএঞ্জেলচত অনুষ্ঠিত হ'বলগীয়া অলিম্পিকত ভাৰতে বিশ্বৰ ১০ খন ৰাষ্ট্ৰৰ ভিতৰত স্থান লাভ কৰাৰ বাবে থকা দেশৰ সপোন বাস্তৱায়িত কৰিব বুলিও তেওঁ কয়। কেন্দ্ৰীয় মন্ত্ৰী গৰাকীয়ে কয় যে খেলো ইণ্ডিয়াৰ জৰিয়তে ভিন্ন ৰাজ্যৰ মাজত মৈত্ৰীৰ বান্ধোন অধিক শক্তিশালী কৰি তুলিব।

আজিৰ এই উদ্বোধনী অনুষ্ঠানতে খেলো ইণ্ডিয়া-২০২০ উপলক্ষে প্ৰকাশ কৰি উলিওৱা 'ব্ৰহ্মপুত্ৰ' নামৰ এখন স্মৰণিকাও মুখ্যমন্ত্ৰীয়ে উন্মোচন কৰে।

আজিৰ এই অনুষ্ঠানত বিত্ত, গড়কাপ্তানি ইত্যাদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কৃষি মন্ত্ৰী অতুল বৰা, বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰী, কেইবা গৰাকী সাংসদ, বিধায়ক, ইণ্ডিয়ান অলিম্পিক এচ'ছিয়েশ্যন আৰু অসম অলিম্পিক এচ'ছিয়েশ্যনৰ বিষয়-ববীয়াৰ উপৰি উচ্চপদস্থ বিষয়া আৰু ক্ৰীড়া প্ৰেমী ৰাইজ উপস্থিত আছিল।

**সুঃদঃ / পুঃডেঃ / বঃভাঃ**
**১০/১/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in